জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪২৫/২০২০

# কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে সাক্ষাৎ কৰিলে মুখ্যমন্ত্ৰী সোণোৱালক, বাঘজান ঘটনা সন্দৰ্ভত আলোচনা

## মুখ্যমন্ত্ৰী সোণোৱাল আৰু কেন্দ্ৰীয় মন্ত্ৰী প্ৰধানে ১৪ জুনত ভ্ৰমণ কৰিব বাঘজানৰ ঘটনাস্থলী

## বাঘজানৰ ঘটনাত প্ৰভাৱিত পৰিয়ালসমূহক সৰ্বোচ্চ ক্ষতিপূৰণ প্ৰদানৰ বাবে মুখ্যমন্ত্ৰী সোণোৱালৰ আহ্বান

**দিছপুৰ, ১৩ জুনঃ** কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক ব্ৰহ্মপুত্ৰ ৰাজ্যিক অতিথিশালাত সাক্ষাৎ কৰি অইল ইণ্ডিয়া লিমিটেডৰ বাঘজান গেছ কুপত সংঘটিত ঘটনা সম্পৰ্কে আলোচনা কৰে। বৈঠকত মুখ্যমন্ত্ৰী সোণোৱাল আৰু কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে কাইলৈ বাঘজানৰ ঘটনা স্থলীলৈ গৈ পৰিস্থিতিৰ প্ৰত্যক্ষ বুজ লোৱাৰ সিদ্ধান্ত লয়।

মুখ্যমন্ত্ৰী সোণোৱালে কেন্দ্ৰীয় মন্ত্ৰী গৰাকীক কয় যে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা অইল ইণ্ডিয়া লিমিটেডক পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে সকলো সহায়-সহযোগিতা আগবঢ়াই অহা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে তিনিচুকীয়া জিলা প্ৰশাসনে বাঘজানৰ ঘটনা সংঘটিত হোৱাৰ পূৰ্বে চুবুৰীয়া গাওঁ সমূহৰ জনসাধাৰণক সাহায্য শিবিৰলৈ স্থানান্তৰ কৰে। মুখ্যমন্ত্ৰী সোণোৱালে লগতে এই ঘটনাত প্ৰভাৱিত হোৱা পৰিয়ালসমূহক সৰ্বোচ্চ ক্ষতিপূৰণ আগবঢ়াবলৈ কেন্দ্ৰীয় মন্ত্ৰী গৰাকীক আহ্বান জনায়।

মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণই অসম চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ সম্পৰ্কে অৱগত কৰি কয় যে জিলা প্ৰশাসনে ১২ টা সাহায্য শিবিৰ স্থাপন কৰিছে আৰু এই শিবিৰ সমূহত ৭ হাজাৰ লোকে আশ্ৰয় লৈ আছে। তেওঁ তদুপৰি কয় যে গেছ কুপৰ দুৰ্ঘটনাৰ ফলত হোৱা ক্ষয়-ক্ষতি বুজ লোৱাৰ বাবে জিলা প্ৰশাসনে এক সমীক্ষা ইতিমধ্যে চলাই আছে।

বৈঠকৰ মাজতে মুখ্যমন্ত্ৰী মন্ত্ৰী সোণোৱাল আৰু কেন্দ্ৰীয় মন্ত্ৰী প্ৰধানে ভিডিঅ' কনফাৰেন্স যোগে অইল কৰ্তৃপক্ষ তথা তিনিচুকীয়াত উপস্থিত থকা অসম চৰকাৰৰ উদ্যোগ মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীৰ সৈতে বাৰ্তালাপ কৰি বৰ্তমান পৰিস্থিতিৰ লগতে অইলে গ্ৰহণ কৰা পদক্ষেপৰ সম্পৰ্কে বুজ লয়।

কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে আলোচনাৰ সময়ত ৰাজ্য চৰকাৰে আগবঢ়োৱা সহায়-সহযোগিতাৰ বিষয়ে বুজ লোৱাৰ লগতে গেছ কুপটোৰ অগ্নি নিৰ্বাপনৰ বাবে যুদ্ধকালীন গতিত কাম কৰাৰ ওপৰত জোৰ দিয়ে। কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে কয় যে সমগ্ৰ পৰিস্থিতিৰ ওপৰত তেওঁৰ মন্ত্ৰণালয়ে পৰ্যাপ্ত নজৰ ৰাখিছে তথা এই দুৰ্ঘটনাত প্ৰভাৱিত পৰিয়ালসমূহক সকাহ দিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশ্বাস দিয়ে।

অসম চৰকাৰৰ বিত্ত মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী নৱ কুমাৰ দলে, সাংসদ তপন কুমাৰ গগৈ, মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰ জ্যোতি মহন্ত, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰণালয়ৰ লগতে অসম চৰকাৰৰ উচ্চপদস্থ বিষয়া সকল এই বৈঠকত উপস্থিত থাকে।

**বীঃগঃ**
**১৩/৬/২০২০**